অধ্যায় -১

বেংকৰ প্ৰকৃতি আৰু সংগঠন

(ক) পাঠভিত্তিক অতি চমু প্ৰশ্নোত্তৰ :-

১। বেংকৰ অৰ্থ আৰু সংজ্ঞা লিখা ।

উত্তৰঃ বেংক হৈছে এটা বিত্তীয় প্ৰতিষ্ঠান । ই মূলতঃ টকা - পইচাৰ লেনদেন কৰে । বেংকৰ সংজ্ঞা সম্পৰ্কে বিভিন্ন পণ্ডিতে বিভিন্ন ধৰণে ব্যাখ্যা কৰিছে ।

ড . এইচ , এল হাৰ্টে তেওঁৰ ' বেংকিং ল’ নামৰ পুথিত বেংকৰ সংজ্ঞা সম্পৰ্কে নিজ মত ব্যক্ত কৰিছে । তেখেতৰ মতে সাধাৰণ ব্যৱসায় হিচাপে যিয়ে চলিত হিচাপত আমানত গ্ৰহণ কৰে আৰু তেনে জমাকাৰীক চেক ভঙাই দিয়ে সিয়ে বেংক ।ভাৰতীয় বেংকিং ৰেগুলেচন আইন 1949 চনৰ 5 (C) (B) ধাৰাত বেংকৰ বিৱৰণ উল্লেখ কৰা হৈছে । 5 (C) ধাৰা মতে “ বেংকিং কোম্পানী মানে তেনেকুৱা কোম্পানী যিয়ে ভাৰতত বেংকিং ব্যৱসায় কৰে ” আৰু বেংকিং ব্যৱসায় 5 (B) মতে “ ঋণদান বা বিনিয়োগৰ উদ্দেশ্য জনসাধাৰণৰ পৰা গৃহীত আমানত জমাদাতা গ্ৰাহকৰ তাগিদা মতে বা অন্য প্ৰকাৰে পৰিশোধ কৰা আৰু চেক , ড্ৰাফট বা অন্য প্ৰকাৰে তাক উলিয়াই দিয়া কাৰ্যকে বেংকিং বোলে ” ।

২ । ভাৰতত বেংকৰ ক্ৰমবিকাশ , উৎপত্তি আৰু উন্নয়ন বিষয়ে আলোচনা কৰা ।

উত্তৰঃ বেংক শব্দৰ উৎপত্তি সম্পৰ্কে পণ্ডিতসকল একমত নহয় । কিছুমান পণ্ডিতৰ মতে বেংক পদটি “ বেংকাচ ” (Bancus) বা “ বেংকো ” (Banque) অৰ্থাৎ বেঞ্চি (Bench) শব্দৰ পৰা উদ্ভৱ হৈছে । তেওঁলোকৰ মতে আদিতে ইউৰোপৰ ইহুদি সকলে উত্তৰ ইটালীৰ লোম্বাৰ্দি বজাৰত বেঞ্চত বহি টকা পইচাৰ লেনদেন কৰিছিল । লেনদেনত ব্যৰ্থ হলে তেওঁলোকে বেঞ্চি বা 'বেংকো’ ভাঙি পেলাইছিল । এই কাৰ্যৰ পৰাই বেংক্ৰাপ্ত বা দেউলীয়া শব্দৰ উৎপত্তি হোৱা বুলি অনুমান কৰে । অন্য কিছুমান পণ্ডিতৰ মতে জাৰ্মান শব্দ 'ব্যক’ (Back) মানে যৌথ পুঁজি বা নিধি ইটালিয়ান ভাষালৈ ৰূপান্তৰ হৈ বেংক শব্দৰ উৎপত্তি হৈছে ।

ভাৰতবৰ্ষত বেংকিং কাৰ্য অতি প্ৰাচীন কালতে আৰম্ভ হয় । তেতিয়াৰ বেংকিং কাৰ্য জমা লোৱা আৰু ঋণ দিয়াতে সীমাবদ্ধ আছিল । আমাৰ ধৰ্মীয় গ্ৰন্থবোৰৰ পৰা বেংকিং কাৰ্য্যৰ সঠিক সম্ভেদ পোৱা যায় । আনকি বৈদিক যুগতে খৃঃপূঃ 2000 1500 চনত ঋণৰ আদান - প্ৰদান , ঋণৰ সূত , বন্ধক আদিৰ বিধি - বিধানৰ উল্লেখ পোৱা যায় । ৰামায়ণ, মহাভাৰত আদিৰ দৰে মহাকাব্যতো (খৃঃপূঃ 400-300) বেংকিং কাৰ্য প্ৰচলনৰ প্ৰমাণ পোৱা যায় । ড . এল.চি.জৈনে তেওঁৰ “ ইণ্ডিয়ান ইণ্ডিজেনাচ বেংকিং ” কিতাপত উল্লেখ কৰিছে যে মধ্যযুগত (500-1500 খৃষ্টাব্দত) বাস্তুপাল তেজপাল নামৰ ব্যক্তি এজনে দহ কোটি টকাৰ বাবে আহমেদাবাদৰ নগৰ শেঠৰ ওপৰত হুণ্ডি লিখি সেই টকাৰে দিলোৱাৰা মন্দিৰ সাজিছিল ।

মৌৰ্য্য সম্ৰাট চন্দ্ৰগুপ্তৰ মন্ত্ৰী কৌটিল্যৰ অৰ্থশাস্ত্ৰতো ভাৰতত এক প্ৰকাৰৰ বেংকিং ব্যৱসায়ৰ উল্লেখ আছে । ভাৰতবৰ্ষত বনিয়া বা বৈশ্য, ছাহুক , শেঠ আদি জাতিৰ মানুহে বেংকিং ব্যৱসায় চলায় । এই লোকসকলে দেশীয় ৰীতি - নীতি পালন কৰি বেংক ব্যৱসায় চলায় । সেই কাৰণে এওঁলোকক দেশীয় বেংকাৰ বোলে । তেওঁলোকে আমানত গ্ৰহণ ঋণদান , পনবন্ধক লোৱাৰ উপৰিও হুণ্ডিৰ লেনদেন কৰিছিল । ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতৰ শাসনভাৰ হস্তগত কৰাৰ পাছত ইংলেণ্ডৰ বেংকৰ আৰ্হিত আলেকজেণ্ডাৰ এণ্ড কেম্পানী নামৰ এজেঞ্চি হাউচে 1770 চনত কলিকতাত প্ৰথমে “ দি বেংক অৱ হিন্দুস্থান ”

প্ৰতিষ্ঠা কৰে । পৰৱৰ্তী পৰ্য্যায়ত ইংৰাজৰ আৰ্হিত আন বহুতো বেংক প্ৰতিষ্ঠা হয় আৰু এইবোৰে বেংক ব্যৱস্থাৰ প্ৰচলন সুদৃঢ় কৰে ।

1806 চনত স্থাপন কৰা দি বেংক অৱ কলিকতাকৈ চৰকাৰী চনদৰ বিধিমতে ‘ দি বেংক অৱ বেংগল ’ নাম দি 1809 চনত প্ৰথম প্ৰেচিডেঞ্চি বেংক ইংৰাজ সকলে গঠন কৰে । পিচত ই নিজ এলেকাত নোট প্ৰৱৰ্তনো কৰিব পাৰিছিল । ভাৰতত আন দুটা প্ৰেচিডেঞ্চি বেংক প্ৰতিষ্ঠা হয় । ইয়াৰে 'দি বেংক অৱ বোম্বাই' 1840 চনত আৰু বেংক অৱ মাদ্ৰাজ ’ 1843 চনত আৰম্ভ হয় ।

প্ৰথম মহাসমৰৰ (1913-1918) সময়ত বহুতো বেংকৰ গঠন হয় । সেইবোৰৰ আমানত আৰু ঋণদানৰ পৰিমাণো যথেষ্ট বৃদ্ধি হয় । কিন্তু তাকৰীয়া মূলধন , কম পৰিমাণৰ সংৰক্ষণ তহবিল , অযোগ্য ব্যক্তিৰ পৰিচালনা , প্ৰতিযোগিতামূলক ব্যৱসায় নীতিৰ কাৰণে এই সময়ত সৰু ডাঙৰ 87 টটা বেংক বন্ধ হয় ।

1920 চনত 'দি ইম্পেৰিয়েল বেংক অৱ ইণ্ডিয়া আইন’প্ৰনয়ণ কৰা হয় । এই আইন বিধি বিধান মতে কলিকতা , বোম্বাই আৰু মাদ্ৰাজৰ প্ৰেচিডেঞ্চি বেংক তিনিটা একত্ৰিত কৰি 1921 চনত ‘ দি ইম্পেৰিয়েল বেংক হিচাপে কাৰ্য আৰম্ভ কৰে । এই বেংকক শাখা কাৰ্য্যালয় খুলিবলৈও দিয়া হয় । বাস্তৱ ক্ষেত্ৰত তেতিয়াৰ পৰাই আমাৰ দেশত শাখা বেংকিং পদ্ধতিয়ে অগ্ৰগতি লাভ কৰে । দেশৰ বৃহত্তম বাণিজ্যিক বেংক হিচাপে ইম্পেৰিয়েল বেংকক ৰাষ্ট্ৰীয়ত কৰি 1955 চনত ষ্টেট বেংক অৱ ইণ্ডিয়া’গঠন কৰা হয় ।

1934 চনৰ ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়া আইন অনুসৰি 1935 চনৰ 1এপ্ৰিলৰ পৰা ৰিজাৰ্ভ বেংকে দেশৰ কেন্দ্ৰীয় বেংক হিচাপে কাম আৰম্ভ কৰে । 1949 চনত ভাৰতত বেংকিং ৰেগুলেচন আইন প্ৰণয়ন কৰা হয় । ভাৰতীয় ষ্টেট বেংকৰ কাৰ্য্য পৰিসৰ বৃদ্ধিৰ কাৰণে 1959 চনৰ আইনযোগে ইয়াৰ সহযোগী 7 টা বেংক প্ৰতিষ্ঠা কৰা হয় । বেংক ব্যৱস্থা ক্ৰমাৎ সুসংগঠিত হলেও 1960 ‘ দি লক্ষ্মী বেংক’ আৰু ‘ দি পিলাই চেন্ট্ৰেল বেকে ’ দেউলীয়া হয় । তেতিয়া আমানতকাৰীৰ সুৰক্ষা আৰু

বেংক ব্যৱসায়ৰ সুবিধাৰ্থে 1961 চনৰ আইনৰ বিধানমতে 1962 চনত বেংকৰ আমানত বীমা নিগম প্ৰতিষ্ঠা কৰা হয় I ই আমানতকাৰী সকলক বেংক ফেইল হলে আমানত নিৰাপত্তা দিয়ে I 1968 চনত ব্যক্তি খণ্ডৰ বেংকৰ ওপৰত সামাজিক নিয়ন্ত্ৰণ’চলোৱা তা হয় I সমগ্ৰ দেশত বেংকৰ সেৱা যোগান দিবলৈ 'নায়ক বেংক আচনি’ কাৰ্যকৰী কৰা হয় I ইয়াৰ যোগেদি সমগ্ৰ দেশৰ ক্ষুদ্ৰ সঞ্চয় সংগ্ৰহ কৰি ঋণদানৰ ব্যৱস্থা কৰা হয় I গ্ৰাম্য ঋণ প্ৰবাহৰ কাৰণে 1975 চনত এক শ্ৰেণীৰ সুকীয়া বেংক গঠন কৰা হয় I এইবোৰক ‘ আঞ্চলিক গ্ৰাম্য বেংক ’ বোলে I

৩। বাণিজ্যিক বেংকৰ কায্যাৱলী ব্যাখ্যা কৰা I

উত্তৰঃ বহল ভিত্তিত বাণিজ্যিক বেংকৰ কায্যাৱলীক দুই ধৰণে ভাগ কৰিব কাৰি যেনে–

(i) প্ৰাথমিক কাৰ্য I আৰু

(II) গৌণ কাৰ্য I

(i) প্ৰাথমিক কাৰ্যঃ যিবোৰ কাৰ্য বাণিজ্যিক বেংকৰ আটাইতকৈ গুৰুত্বপূৰ্ণ তেনে কাৰ্যক প্ৰাথমিক কাৰ্য বোলা হয় I ইয়াক আকৌ দুই ধৰণে ভগাব পাৰি যেনে –

(a) জনসাধাৰণৰ পৰা আমানত গ্ৰহণ I আৰু

(b) ঋণ প্ৰদান আৰু বিনিয়োগ I

(a) জনসাধাৰণৰ পৰা আমানত গ্ৰহণঃ- জনসাধাৰণৰ পৰা আমানত গ্ৰহণ কৰোতে বাণিজ্যিক বেংকসমূহে তলত দিয়া ধৰণে গ্ৰহণ কৰে I

(i) সঞ্চয়ী হিচাপঃ এনে হিচাপৰ মাধ্যমেদি বেংকে ক্ষুদ্ৰ ক্ষুদ্ৰ সঞ্চয়কাৰীক সঞ্চয়ৰ বাবে উৎগতি প্ৰদান কৰে I বেংকত এনে হিচাপ খোলাৰ বাবে সৰ্বনিম্ন টকাৰ পৰিমাণে বেংক ভেদে বেলেগ বেলেগ হোৱা দেখা যায় I

বেংকৰ পূজিৰ এইটো এটা অন্যতম প্ৰধান উৎস। এনে হিচাপৰ গ্ৰাহকক সাধাৰণতে 5 % পৰা 6 % পৰ্য্যন্ত সুত প্ৰদান কৰা দেখা যায় আৰু এক সপ্তাহত দুবাৰতকৈ অধিক পূজি বেংকৰ পৰা আহৰণ কৰিব নোৱাৰে।

(ii) স্থায়ী হিচাপঃ এটা নিৰ্দিষ্ট পৰিমাণৰ ধন এটা নিৰ্দিষ্ট সময়লৈ জমা কৰি থোৱাকে স্থায়ী জমা হিচাপ বোলা হয়। এনে হিচাপত টকা জমা থলে সেই নিৰ্দিষ্ট সময়ৰ আগত টকাটো উলিয়াব নোৱাৰে। অৱশ্যে ম্যাদৰ সময় উকলি যোৱাৰ আগতে উলিয়ালে সুদৰ লোকচান ভৰিব লগা হয়। আকৰ্ষণীয় সূদ প্ৰদান কৰা হেতুকে এনে হিচাপৰ জনপ্ৰিয়তা অধিক। বেংকৰ লাভ ভালেখিনি পৰিমাণে স্থায়ী জমা হিচাপৰ ওপৰতে নিৰ্ভৰ কৰে। এনে হিচাপত সঞ্চয় হিচাপতকৈ বেছি পৰিমাণৰ সূত প্ৰদান কৰে।

(iii) চলিত হিচাপঃ ব্যৱসায়িক জগতত অতি জনপ্ৰিয়তা লাভ কৰা এই প্ৰকাৰৰ হিচাপত বেংকে সূত প্ৰদান কৰা দেখা নাযায় , বৰঞ্চ হিচাপ পৰিচালনা কৰাৰ বাবদ বেংকে ভৰনি বাবদ ধনকাটি ৰাখে। এনে হিচাপৰ যোগেদি বেংকে সঞ্চয় আহৰণ কৰিলেও ইয়াক লাভজনক ভাৱে বেংকে খটুৱাব নোৱাৰে কাৰণে গ্ৰাহককো সুদ প্ৰদান নকৰে। আকৌ গ্ৰাহকে যিকোনো মূহুৰ্তত ধন উলিয়াই নিব পাৰে। গতিকে বেংকৰ চন্দুকতে বেংকে প্ৰায় সমুদায় আমানত জমা কৰি থবলগীয়া হয়।

(b) ঋণ প্ৰদান আৰু বিনিয়োগঃ - বাণিজ্যিক বেংকে গ্ৰাহকৰ পৰা সংগ্ৰহক আমানত বিভিন্ন খণ্ডত ঋণ হিচাপে প্ৰদান কৰি আৰু বিনিয়োগ কৰি আয় উপাৰ্জন কৰে। বাণিজ্যিক বেংকে তলত দিয়া ধৰণে ঋণ প্ৰদান কৰে।

(i) ঋণ :- এটা নিৰ্দিষ্ট হাৰ সুদৰ বিনিময়ত এটা নিৰ্দিষ্ট পৰিমাণৰ ঋণ এটা নিৰ্দিষ্ট সময়ৰ বাবে প্ৰতিভূতিৰ বিপৰীতে বা নোহোৱাকৈ প্ৰদান কৰাকে ঋণ প্ৰদান বুলি কোৱা হয়।

(ii) নগদ ঋণ :- বিত্তীয় বৰ্ষৰ আৰম্ভণিতে কোনো প্ৰতিভূতি অথবা অস্থাৱৰ সম্পত্তি জিম্মাৰ বিপৰীতে ব্যবসায়ী গ্ৰাহকক আৱশ্যক হোৱা

ধনৰ পৰিমাণৰ বাবে বেংক আৰু গ্ৰাহকৰ মাজত হোৱা চুক্তি অনুযায়ী গ্ৰাহকক আবশ্যক হোৱা হিচাপৰ বিপৰীতে উঠোৱা আৰু সুবিধা অনুযায়ী ধন জমা দিয়াৰ যি ব্যৱস্থা তাকে নগদ ঋণ বোলা হয় ।

(iii) অধিবিকৰ্ষ :- ব্যৱসায়ী গ্ৰাহকৰ বিশ্বাসযোগ্যতা অনুযায়ী হিচাপত থকা জমা ধনৰ উপৰিও এটা নিৰ্দিষ্ট পৰিমাণলৈ অধিক ধন আদায় দিয়াৰ চুক্তি বা গ্ৰাহকৰ লগত থকা বা কৰা ব্যৱস্থাকে অধিবিকৰ্ষ বোলা হয় । ইয়াত এটা নিৰ্দিষ্ট পৰিমাণৰ সুদ ধাৰ্য্য কৰা হয় ।

(iv) বিল বাট্টাকৰণঃ - ব্যৱসায়ী গ্ৰাহকৰ সুবিধাৰ্থে ব্যবসায় বাণিজ্যত প্ৰচলিত বিল বিলাক এক নিৰ্দিষ্ট হাৰৰ বাট্টাৰ বিনিময়ত ভঙোৱাটো বাণিজ্যিক বেংকৰ এক অন্যতম কাৰ্য । ইয়াৰ দ্বাৰা বাণিজ্যিক বেংকে বেহা বেপাৰৰ হ্ৰস্বম্যাদী পূজিৰ যোগান ধৰে ফলত ব্যৱসায়ীসকল যথেষ্ট উপকৃত হয় । আনহাতে বিল ভঙাই দি বেংকে বাট্টা লয় । ই বেংকৰ উপাৰ্জনত বৰঙণি যোগায় ।

(ii) গৌণ কাৰ্যঃ বাণিজ্যিক বেংকৰ গৌণ কাৰ্য্যক দুই ধৰণে ভাগ কৰা হয় যেনে–

(a) প্ৰতিনিধিমূলক সেৱা । আৰু

(b) জনোপযোগী সেৱা ।

(a) প্ৰতিনিধিমূলক সেৱা :- আধুনিক বেংক ব্যৱসায়ত অধিক গ্ৰাহকক আকৰ্ষণ কৰিবলৈ গ্ৰাহকৰ হৈ ভালেমান কাৰ্য সম্পাদন কৰে । সেইবিলাকৰ পৰা বেংকৰ লাভ নহলেও ব্যবসায়িক প্ৰতিযোগিতাতত তিষ্টি থাকিবলৈ কৰাটো অতি জৰুৰী । এইবোৰ কাৰ্য বেংকৰ নিজৰ ইচ্ছাধীন ।

(i) গ্ৰাহকৰ হৈ এঠাইৰ পৰা আন ঠাইলৈ ধন প্ৰেৰণ কৰা আৰু আদায় দিয়া ।

(ii) গ্ৰাহকৰ আয়ৰ উৎসৰ পৰা বিভিন্ন আয় যেনে সুদ , লভ্যাংশ ইত্যাদি কম খৰচতে সংগ্ৰহ কৰি দিয়া ।

(iii) গ্ৰাহকৰ হৈ প্ৰতিভূতি , ভ্ৰমণ টিকট , বৈদেশিক মুদ্ৰাৰ লেনদেন কৰা ।

(iv) ন্যাস সম্পত্তিৰ পৰিচালনা তথা গ্ৰাহকৰ মূল্যবান সা - সম্পত্তি নিৰাপদে জমা ৰখা ইত্যাদি ।

(b) জনোপযোগী সেৱা :- বেংকৰ সামাজিক মৰ্য্যদা আৰু গুৰুত্ব বৃদ্ধি কৰাৰ উদ্দেশ্যেৰে তলত দিয়া ধৰণে বেংকে ভালেমান কাৰ্য্য গ্ৰাহকৰ হৈ সম্পাদন কৰে ।

(i) গ্ৰাহকৰ হৈ ভ্ৰমণ চেক , প্ৰত্যয় পত্ৰ জাৰি কৰা ।

(ii) গ্ৰাহকলৈ মূল্যৱান ব্যবসায়ীক তথ্য যোগান ধৰা তথা উপদেশ দিয়া ।

(iii) বৈদেশিক লেনদেনত সাহায্য কৰা তথা অৱলেখন কাৰ্য পালন কৰা ।

(iv) কেন্দ্ৰীয় বেংকৰ বিভিন্ন প্ৰকাৰৰ ৰাজস্ব নীতি নিয়ম সমূহ ৰূপায়ণত সহযোগিতা কৰা ।

(v) ধন প্ৰেৰণ কৰা ইত্যাদি ।

৪। বাণিজ্যিক বেংকৰ ঋণ সৃষ্টিৰ প্ৰণালীটো ব্যাখ্যা কৰা ।

উত্তৰঃ বাণিজ্যিক বেংকৰ এটা উল্লেখযোগ্য কাৰ্য হ'ল আমানত নাইবা জমা বৃদ্ধি কৰা । অন্যান্য নিগমৰ দৰে বেংকেও লাভ সৰ্বোচ্চ কৰিবলৈ চেষ্টা কৰে । এই উদ্দেশ্যে । তেওঁলোকে নগদ টকা হিচাবে চাহিদা জমা লয় আৰু গ্ৰাহকক ঋণ আগবঢ়ায় । যেতিয়া বেংকে ঋণ আগবঢ়ায়

গ্ৰাহকক নগদ টকা নিদিয়ে। তেওঁৰ নামত এটা হিচাপহে খোলে আৰু চেকৰ সহায়ত প্ৰয়োজনীয় টকা উলিয়াই নিবলৈ দিয়া হয়। এইদৰে বেংকে ঋণ নাইবা জমা বৃদ্ধি কৰে।

চাহিদা জমা দুই প্ৰকাৰে লোৱা হয়। প্ৰথম গ্ৰাহকে বাণিজ্যিক বেংকত টকা জমা থয়। দ্বিতীয়তে , বেংকে ঋণ আগবঢ়ায় , অধিবিৰ্ষৰ সুবিধা কৰে আৰু ঋণ পত্ৰ নাইবা নিৰাপত্তা পত্ৰৰ যোগেদি বিনিয়োগ কৰে। প্ৰথম ধৰণৰ জমাক প্ৰাথমিক জমা বুলি কোৱা হয়। দ্বিতীয় প্ৰকাৰ জমাক আহৰণ মূলক জমা বুলি জনা যায়। বেংকে এনে জমা সৃষ্টি কৰাত মুখ্য ভূমিকা গ্ৰহণ কৰে। বাণিজ্যিক বেংকে চৰকাৰী ঋণ পত্ৰ বা চিকিউৰিটি পত্ৰ ক্ৰয় কৰাৰ বাবদ বিনিযোগ কৰিও জমা সৃষ্টি কৰে। বাণিজ্যিক বেংকে কেন্দ্ৰীয় বেংকৰ যোগেদি ঋণপত্ৰ ক্ৰয় কৰে। যদি ই ষ্টক বিনিময় কেন্দ্ৰৰ পৰা ঋণপত্ৰ ক্ৰয় কৰে তেন্তে এই পৰিমাণটো বিক্ৰেতাৰ হিচাপত জমা কৰে নাইবা তেওঁৰ নামত চেক অন্যান্য বেংকত জমা দিবলৈ দিয়ে। অৰ্থাৎ এই বেংকত নাইবা অন্যান্য বেংকত এটা জমাৰ সৃষ্টি কৰে। এই সকল ক্ষেত্ৰতেই বেংকিং ব্যৱস্থাৰ দেনা আৰু সম্পত্তি বৃদ্ধি পায়। গতিকে বেংকৰ আমানত সৃষ্টি হয়। বেংকৰ প্ৰয়োজনীয় সংৰক্ষণৰ অনুপাতটোৱেই আমানত সৃষ্টিৰ মূল ভেটি।

বেংকৰ ঋণ সৃষ্টিৰ প্ৰক্ৰিয়াটো বিশ্লেষণ কৰোতে কিছুমান অভিধাৰণা লোৱা হয়।

(a) ধৰি লোৱা যাওক বেংকিং ব্যৱস্থাত A আৰু B নামৰ দুটা বেংক আছে।

(b) প্ৰত্যেক বেংকেই ইয়াৰ জমাৰ 20 % সংৰক্ষণ কৰে। অথাৎ আইন অনুযায়ী 20 % প্ৰয়োজনীয় সংৰক্ষণৰ অনুপাত।

(C) প্ৰথমটো বেংকত 1000 টকা জনা আছে।

(d) প্ৰথমটো বেংকৰ পৰা গ্ৰাহকে উলিয়াই অনা অৰ্থৰ গোটেই পমিাণ দ্বিতীয়টো বেংকত জমা থয় আৰু দ্বিতীয় বেংকৰ অৰ্থও তৃতীয় বেংকত জমা থোৱা হয় ।

(e) প্ৰত্যেক বেংকেই অন্যান্য বেংকৰ ধৰুৱাই সেই বেংকত জমা থোৱা পৰিমাণৰেই আৰম্ভ কৰে ।

এইবিলাক অভিধাৰণাৰ ওপৰত ভিত্তি কৰি A বেংকৰ উদ্বৃত্ত পত্ৰ এনে ধৰণৰ হয়

A বেংকৰ প্ৰাৰম্ভিক উদ্বৃত্ত পত্ৰ

দেনা	টকা	সম্পত্তি	টকা
জমা	1000	সংৰক্ষণ	1000
মুঠ	**1000**	মুঠ	**1000**

CS Scanned with CamScanner

A বেংকৰ শেষ উদ্বৃত্ত পত্ৰ

দেনা	টকা	সম্পত্তি	টকা
জমা	1000	সংৰক্ষণ	200
		ঋণ	800
মুঠ	**1000**	মুঠ	**1000**

CS Scanned with CamScanner

এই 800 টকাৰ ঋণ গ্ৰাহকে B বেংকত জমা কৰিলে আৰু B বেংকৰ প্ৰাৰম্ভিক আৰু শেষ উদ্ধৃত হ'ব এনে ধৰণৰ –

B বেংকৰ প্ৰাৰম্ভিক উদ্বৃত্ত পত্ৰ

দেনা	টকা	সম্পত্তি	টকা
জমা	800	সংৰক্ষণ	800
মুঠ	**800**	মুঠ	**800**

CS Scanned with CamScanner

B বেংকৰ সামৰণি উদ্বৃত্ত পত্ৰ

দেনা	টকা	সম্পত্তি	টকা
জমা	800	সংৰক্ষণ	160
		ঋণ	640
মুঠ	**800**	মুঠ	**800**

CS Scanned with CamScanner

এইদৰে B বেংকৰ পৰা লোৱা 640 টকাৰ ঋণ গ্ৰাহকে C বেংকত জমা থলে। C বেংকৰ পৰা D বেংকলৈ ..... ইত্যাদি।

৫। বাণিজ্যিক বেংকৰ ঋণগতা মুদ্ৰা সৃষ্টিৰ প্ৰক্ৰিয়াটোৰ সীমাবদ্ধতা সমূহ কি কি ?

উত্তৰঃ বেংকৰ ঋণ সৃষ্টিৰ সীমাবদ্ধতা সমূহ হ'ল–

(ক) নগদ টকাৰ পৰিমাণ :- বেংকৰ ঋণ সৃষ্টিৰ ক্ষমতা নিৰ্ভৰ কৰে তেওঁলোকৰ হাতত থকানগদ টকাৰ পৰিমাণৰ ওপৰত। যিমানে নগদ টকাৰ পৰিমাণ বেছি হ'ব সিমানে বেছি পৰিমাণৰ ঋণ সৃষ্টি কৰিব পাৰি। অৰ্থাৎ ই ঋণদানৰ বাবে ব্যৱহৃত হোৱা প্ৰয়োজন। আনহাতে সংৰক্ষণৰ পৰিমাণ বেছি হ'লে , ঋণ সৃষ্টিৰ ক্ষমতাও কমি আহে। ঋণ সৃষ্টিৰ পৰিমাণটো প্ৰাথমিক জমাৰ ক্ষমতাটো ইয়াৰ হাতত থকা নগদ টকাৰ দ্বাৰা সীমিত।

(খ) উপযুক্ত নিৰাপত্তা :- বেংকৰ ঋণ সৃষ্টিৰ প্ৰক্ৰিয়াটো নিৰ্ভৰ কৰে পৰ্য্যাপ্ত পৰিমাণৰ নিৰাপত্তাৰ ওপৰত। বেংকে গ্ৰাহকক ঋণ দিয়ে নিৰাপত্তা , বিল , অংশ পত্ৰ বা অন্যান্য সম্পত্তিৰ ওপৰত নিৰ্ভৰ কৰি। এই বিলাকে সম্পদৰ অ তাৰল্য অৱস্থাটো তাৰল্য অৱস্থালৈ ৰূপান্তৰিত কৰে আৰু ঋণ সৃষ্টি কৰে। যদি জনসাধাৰণৰ হাতত প্ৰকৃত নিৰাপত্তা নাথাকে , তেন্তে বেংকে ঋণ বা আমানত সৃষ্টি কৰিব নোৱাৰে।

(গ) জনসাধাৰণৰ বেংকিং অভ্যাস :- জনসাধাৰণৰ বেংকিং অভ্যাসৰ ওপৰত নিৰ্ভৰ থৰি বেংকে ঋণ সৃষ্টি কৰিব পাৰে। যদি জনসাধাৰণৰ ধনাদেশ ব্যৱহাৰ কৰাৰ অভ্যাস নাথাকে , তেন্তে গ্ৰাহকৰ প্ৰতি মঞ্জুৰ ধন

তেওঁলোকে নগদ হিচাপত উলিয়াবলৈ বিচাৰিব। ফলত বেংকৰ ঋণ সৃষ্টিৰ ক্ষমতা হ্ৰাস পাব।

(ঘ) অন্যান্য বেংকৰ আচৰণ :- বেংকৰ ঋণ সৃষ্টিৰ ক্ষমতাটো নিৰ্ভৰ কৰে অন্যান্য বেংকৰ আচৰণৰ ওপৰত। যদি অন্যান্য বেংকে বেংকিং পদ্ধতিৰ বাবে প্ৰয়োজনীয় আমানত সমান ঋণ আগবঢ়ায় তেনে ক্ষেত্ৰত ঋণ সম্প্ৰসাৰণৰ প্ৰক্ৰিয়াটো বাধাপ্ৰাপ্ত হয়।

(ঙ) কেন্দ্ৰীয় বেংকৰ ঋণ নিয়ন্ত্ৰণৰ নীতি :- বাণিজ্যিক বেংকৰ ঋণ সৃষ্টিৰ ক্ষমতা নিৰ্ভৰ কৰে কেন্দ্ৰীয় বেংকৰ ঋণ নিয়ন্ত্ৰণ নীতিৰ ওপৰত। কেন্দ্ৰীয় বেংকে মুকলি বজাৰত কিনা - বেচা , বেংকৰ নীতি আদিৰ যোগেদি বাণিজ্যিক বেংকৰ ঋণদানৰ ক্ষমতা সীমিত নাইবা বৃদ্ধি কৰিবও পাৰে।

৬। বাণিজ্যিক বেংকৰ আভ্যন্তৰীন সংগঠন মানে কি বুজা ?

উত্তৰঃ বাণিজ্যিক বেংকৰ আভ্যন্ত্ৰীণ সংগঠন মানে হৈছে বেংক গঠনৰ সময়ত ইয়াৰ কাম-কাজ কেনেকৈ পৰিচালনা কৰা হ'ব তাৰ এক বিধিগত ব্যৱস্থা। অন্যান্য ব্যৱসায়ী কোম্পানীৰ দৰে বেংকৰ বা আভ্যন্তৰীণ সংগঠন আছে। প্ৰত্যেক বেংকৰ আভ্যন্তৰীণ সংগঠনৰ কিছু তাৰতম্য থাকিব পাৰে। ব্যৱসায়িক সুবিধাৰ কাৰণে ইয়াক সাল-সলনি কৰিব পাৰি।



অংশধাৰক সকল হৈছে বেংকৰ গৰাকী। এওঁলোকে সঞ্চালক পৰিষদ গঠন কৰি দিয়ে আৰু সঞ্চালক পৰিষদে সভাপতিক বেংকৰ কাৰ্য্য পৰিচালনা, নিৰ্দেশনা আৰু পৰ্যবেক্ষণৰ দায়িত্ব দিয়ে। বেংক পৰিচালনাত অন্যান্য বিষয়া যেনে–সঞ্চালক, সহকাৰী মুখ্য ব্যৱস্থাপক, ব্যৱস্থাপক আদিয়ে সহায় কৰে। সদৰ কাৰ্য্যালয়ত কেইবাটাও বিভাগ থাকে আৰু এইবোৰত বিভাগীয় মুৰব্বী থাকে। এওঁলোক মুখ্য ব্যৱস্থাপকৰ ওচৰত দায়ী।

৭। বাণিজ্যিক বেংকৰ বহিঃসংগঠনৰ ওপৰত চমু টোকা লিখা।

উত্তৰঃ বেংকৰ বহিঃ সংগঠন বুলিলে ইয়াক গঠন কৰোতে অবলম্বন কৰিবলগীয়া বিধিগত দিশসমূহকে বুজায়। ই চৰকাৰী, বেচৰকাৰী বা সমবায় ভিত্তিত হ'ব পাৰে। ইয়াৰোপৰি প্ৰতিষ্ঠানৰ সংগঠন, গুটীয়া। অংশীদাৰী বা যৌথ মূলধনী হ'ব পাৰে। অন্যান্য প্ৰতিষ্ঠানৰ দৰে বেংকেও চৰকাৰী বা বেচৰকাৰী খণ্ডত গঠিত আৰু পৰিচালিত হব পাৰে। স্বাভাৱিকতে বেংকবোৰ যৌথ কোম্পানী হিচাপে সংগঠন কৰা হয়। সেয়ে বাণিজ্যিক বেংক সংগঠন কৰোঁতে ভাৰতীয় কোম্পানী আইৰ বিধি - বিধান কিছুমান পালন কৰিব লগীয়া হয়। গতিকে বেংক সংগঠন কৰিবলৈ হ'লে উদ্যোক্তাসকলে ‘কোম্পানী আইন’ 1956 চনৰ প্ৰয়োজনীয় ব্যৱস্থাৱলীৰ উপৰিও ‘ ভাৰতীয় বেংকিং নিয়ন্ত্ৰণ আইন ’ 1949 চনৰ বিধি বিধান মানি চলিব লাগে।

ভাৰতত বাণিজ্যিক বেংক সংগঠন কৰিবলৈ হ'লে তাক 'কোম্পানী আইন’ৰ নীতি নিয়ম পালন কৰি পঞ্জীভূক্ত কৰিব লাগিব। কিন্তু বেংক নিগমবদ্ধ কৰাৰ পূৰ্বে বেংক নিয়ন্ত্ৰণ আইনৰ বিধি বিধান অনুসৰি ৰিজাৰ্ভ বেংকৰ পৰা অনুজ্ঞাপত্ৰ লব লাগিব। উক্ত আইনৰ বিধান মতে পূজি গঠন কৰিব লাগিব।

নতুন বেংক এটা সংগঠন কৰোতে বেংকিং ৰেগুলেচন এক্টৰ 7 নং ধাৰা অনুসৰি নাম এটা বাছি লব লাগে। এই ধাৰাৰ ব্যৱস্থা মতে ইয়াৰ নামৰ অংশ হিচাপে বেংক বা বেংকৰ নতুবা বেংকিং পদ্ধতি থাকিব লাগে। ইয়াৰ নামৰ লগত ৰজা, ৰানী, সম্ৰাট, ৰাষ্ট্ৰপতি, ৰাজ্যপাল,

চৰকাৰী বিভাগ আদিৰ পৃষ্ঠপোষকতা থকা শব্দ সামৰি লব নোৱাৰে । আনহাতে ইতিমধ্যে থকা বেংকৰ নামৰ লগত মিল থাকিব নালাগে ।

৮ । বেংকৰ বিভিন্ন বিভাগসমূহ বৰ্ণনা কৰা ।

উত্তৰঃ বেংকৰ বিভিন্ন বিভাগসমূহ হ'ল—

(i) সচিব বিভাগ :- বেংকৰ সচিবৰ অধীনত এটা বিভাগ থাকে । ইয়াৰ কৰ্মচাৰীসকলৰ সহায়ত সচিবে আইনগত কাম-কাজ , সভা সমিতি , ৰিজাৰ্ভ বেংকৰ লগত সংযোগ , প্ৰতিবেদন দাখিল , সঞ্চালক পৰিষদৰ সভা , অংশধাৰকৰ সভা , অংশবিষয়ক কাম আদিৰ তদাৰক কৰে ।

(ii) আইন বিভাগ :- আইনৰ লগত সম্পৰ্কযুক্ত বিষয় সমূহৰ চোৱা-চিতা কৰে । যেনে অংশধাৰকৰ হৈ আয়কৰ পৰিশোধ কৰা , বিক্ৰিকৰ পৰিশোধ কৰা ইত্যাদি ।

(iii) হিচাপ বিভাগ :- এই বিভাগৰ অধীনত বেংকৰ সকলো হিচাপ পত্ৰৰ কাম ন্যস্ত থাকে । কাৰ্য্যপৰিসৰ অনুসৰি তেওঁৰ অধীনত কেবাটাও শাখা থাকিব পাৰে । অথাৎ আয় ব্যয় , লাভ ক্ষতি , ব্যৱসায়িক হিচাপৰ লেখীয়া শাখা থাকিব পাৰে ।

(iv) কৰ্মচাৰী বিভাগ :- ডাঙৰ প্ৰতিষ্ঠানৰ ক্ষেত্ৰত একোটা সুকীয়া কৰ্মচাৰী বিভাগ থাকে । এই বিভাগৰ দ্বাৰা কৰ্মচাৰী বাছনি , নিযুক্তি , প্ৰশিক্ষণ , পদোন্নতি , বেতন , পেন্সন , কৰ্মচাৰী কল্যাণ আদিৰ অধীনতো এইবোৰ কাম সম্পন্ন কৰিব পাৰে ।

(v) পৰিসংখ্যা বিভাগ :- বৃহৎ প্ৰতিষ্ঠানত পৰিখংক্যাৰ সুকীয়া বিভাগ থাকে । এইবিভাগত বেংকৰ সকলো কাম-কাজৰ পৰিসংখ্যা বিষয়ক তথ্যপাতি সংগ্ৰহ কৰা হয় । অৰ্থাৎ বিভিন্ন বিভাগৰ কাম - কাজৰ তথ্যবোৰ পৰিসংখ্যা বিভাগে সংগ্ৰহ কৰে ।

(vi) ঋণ বিভাগ :- ডাঙৰ বাণিজ্যিক বেংকসমূহৰ ঋণ বিভাগ থাকে , যিয়ে ঋণ সম্পৰ্কীয় নীতিবিলাক চোৱাচিতা কৰে । উদাহৰণস্বৰূপে কাক ঋণ প্ৰদান কৰা হ'ব , কেনেকৈ ঋণ প্ৰদান কৰা হ'ব ইত্যাদি ।

(vii) পৰিদৰ্শণ বিভাগ :- এই বিভাগৰ মুল কাম হৈছে , বেংকৰ বিভিন্ন শাখাৰ কাম কাজ পৰীক্ষা কৰা । পৰিদৰ্শক সকলে পৰীক্ষা নিৰীক্ষাৰ প্ৰতিবেদন বিভাগীয় মুৰীলৈ পঠায় । এই প্ৰতিবেদনৰ ভিত্তিত আঞ্চলিক বা শাখা কাৰ্য্যালয়লৈ নীতি নিৰ্দেশনা পঠোৱা হয় ।

(viii) শাখা পৰিচালকৰ বিভাগ :- এই বিভাগৰ প্ৰধান কাম হৈছে , বেংকৰ নীতি নিৰ্দেশনা ঠিকমতে কাৰ্যকৰী কৰা । শাখাবোৰৰ কামকাজ নিয়াৰিকৈ পৰিচালনা কৰা । প্ৰয়োজন বোধে পৰিদৰ্শন বিভাগৰ সহায় লোৱা , শাখা সমূহৰ কামৰ সমন্বয় সাধন কৰা । যিবোৰ বেংকৰ আঞ্চলিক কাৰ্য্যালয় থাকে , তেনে বেংকৰ আঞ্চলিক পৰিচালকে শাখাসমূহৰ কাম-কাজৰ তথ্যপাতি সংগ্ৰহ কৰে । তাৰ ভিত্তিত প্ৰতিবেদন প্ৰস্তুত কৰি সদৰ কাৰ্য্যালয়লৈ পঠায় ।

(ix) ছপা মুদ্ৰন বিভাগঃ এই বিভাগৰ বিষয়াৰ তত্বাবধানত বেংকৰ প্ৰয়োজনীয় কামত পেন , পেন্সিল , প্ৰ - পত্ৰ আদিৰ সংগ্ৰহ , প্ৰস্তুতি , যোগান আদিৰ দায়িত্ব থাকে ।

৯। বেংকৰ মূলধন সংগঠনৰ বিষয়ে বৰ্ণনা কৰা ।

উত্তৰঃ বেংকৰ নিজস্ব পুঁজি সম্পৰ্কে বেংকিং নিয়ন্ত্ৰণ আইন 1949 চনত ব্যৱস্থা দিয়া আছে । ইয়াৰ 11 আৰু 12 নং ধাৰা এই ক্ষেত্ৰত প্ৰযোজ্য হয় । 11 নং ধাৰাত বেংকৰ নিম্নতম প্ৰয়োজনীয় নিজস্ব মূলধনৰ মাত্ৰা বান্ধি দিয়া হৈছে । এই মাত্ৰা অনুসৰি কোনো বেংকে কলিকতা , বোম্বাই আৰু মাদ্ৰাজত কাৰ্য্যালয় খুলিলে তাৰ কাৰণে অতিৰিক্ত 5 লাখ টকা নিজস্ব পূজি বান্ধি দিয়া হৈছে । লগতে ভাৰতীয় আৰু বিদেশী বেংকৰ মাজত এই বিষয়ত বৈষম্য ৰখা হৈছে । ভাৰতৰ বাহিৰত পঞ্জীভূক্ত কোনো বেংকে ভাৰতত কাৰ্য্যালয় খুলি ব্যৱসায় কৰিবলৈ হ'লে নিম্নতম 15 লাখ টকা ভাৰতীয় ৰিজাৰ্ভ বেংকত জমা দিব লাগে । অৱশ্যে তেনে

বেংকে বোম্বাই , কলিকতা আৰু মাদ্ৰাজত ব্যৱসায় কৰিলে নিম্নতম 20 লাখ টকা নিজস্ব পূজি থাকিব লাগে ।ভাৰতীয় বেংকে তলত দিয়া ধৰণে নিজস্ব পুঁজি ৰাখিব লাগে ।

(i) যদি ইয়াৰ কাৰ্য্যালয় একাধিক ৰাজ্যত আছে- 5 লাখ টকা ।

(ii) যদি তেনে কাৰ্য্যালয় বোম্বাই , কলিকতা , মাদ্ৰাজত হয় , 10 লাখ টকা ।

(iii) যদি সকলোবোৰ কাৰ্য্যালয় একেখন ৰাজ্যতে আছে কিন্তু বোম্বাই , কলিকতা আৰু মাদ্ৰাজত কেন্দ্ৰ নাই তেতিয়া

(a) মূল ব্যৱসায়ৰ কেন্দ্ৰৰ বাবে 5 লাখ টকা ।

(b) মূল কাৰ্য্যালয় থকা জিলাখনতে আন শাখা থাকিলে প্ৰতি শাখাৰ বাবদ - 10 হাজাৰ টকা ।

(C) একেখন ৰাজ্যত কিন্তু জিলাৰ বাহিৰত কাৰ্য্যালয় থাকিলে 25 হাজাৰ টকা ।

(d) যদি ইয়াৰ মাত্ৰ এটা কাৰ্য্যালয় থাকে -50 হাজাৰ টকা ।

(e) সকলোবোৰ কাৰ্য্যালয় এখন ৰাজ্যতে আছে যদিও কলিকতা বা বোম্বাইত ইয়াৰ কেন্দ্ৰ থাকিলে 5 লাখ টকা , কিন্তু অন্যান্য প্ৰতি কাৰ্য্যালয়ৰ কাৰণে 25 হাজাৰ টকা । অৱশ্যে এইবোৰৰ মুঠ 10 লাখ টকা ।

বৰ্তমান ব্যক্তিগত খণ্ডৰ বেংক প্ৰতিষ্ঠা কৰিবলৈ আদায়ী মূলধন 100 কোটি টকা । 12 নং ধাৰা মতে বেংকৰ বৰঙনিকৃত অংশ মূলধন ইয়াৰ অনুমোদিত মূলধনৰ আধাতকৈ কম হ'ব নোৱাৰে । কিন্তু ইয়াৰ আদায়কৃত মূলধন বৰঙনিকৃত মূলধনৰ আধাতকৈ কম হ’ব নোৱাৰে ।

অৰ্থাৎ আদায়কৃত মূলধন ইয়াৰ অনুমোদিত মূলধনৰ এক চতুৰ্থাংশতকৈ কম হব নোৱাৰে ।

১০। বাণিজ্যিক বেংকক অনুজ্ঞা প্ৰদান কৰাৰ ব্যৱস্থা বৰ্ণনা কৰা ।

উত্তৰঃ বাণিজ্যিক বেংকবোৰক ভাৰতত ব্যৱসায় কৰিবলৈ অনুমতি প্ৰদান কৰি ৰিজাৰ্ভ বেংকে দিয়া একপ্ৰকাৰ পত্ৰকে অনুজ্ঞাপত্ৰ বোলে । এই পত্ৰ পাবলৈ দৰ্খাস্তকাৰী বাণিজ্যিক বেংকে তলত উল্লেখ কৰা চৰ্ত পূৰণ কৰিব লাগে ।

(i) ৰিজাৰ্ভ বেংকে দৰ্খাস্তকাৰী বেংকৰ বহীপত্ৰ পৰীক্ষা কৰি পৰিদৰ্শকৰ প্ৰতিবেদনৰ পৰা নিশ্চিত হ'ব লাগিব যে , সংশ্লিষ্ট বেংকে ইয়াৰ বৰ্তমান বা ভৱিষ্যত জমাকাৰীৰ ধন পৰিশোধ সময়ৰ লহে-লগে সম্পূৰ্ণৰূপে আদায় দিব পাৰিব ।

(ii) বেংকৰ ব্যৱসায় যাতে বৰ্তমান বা ভূৱিষ্যতে জমাদাতাসকলৰ স্বাৰ্থৰ ব্যতিৰেকে পৰিচালিত নহয় বা নহ'ব সেই বিষয়ে ৰিজাৰ্ভ বেংক সন্তুষ্ট হ'ব লাগিব ।

(iii) যদিহে কোনো বিদেশী বেংকে অনুজ্ঞাপত্ৰ বিচাৰে , তেতিয়া ৰিজাৰ্ভ বেংকে চাব যাতে সেই বেংকৰ ব্যৱসায় জনসাধাৰণৰ স্বাৰ্থৰ ক্ষতিকাৰক নহয় । লগতে ৰিজাৰ্ভ বেংকে এইটো চাব যে , সেই দেশৰ চৰকাৰে ভাৰতীয় বেংকক ব্যৱসায় কৰাত বৈষম্যমূলক আচৰণ নকৰে । ৰিজাৰ্ভ বেংকে অনুজ্ঞাপত্ৰ বাতিলো কৰিব পাৰে যদিহে , কোনো বেংকে ইয়াৰ নিহিত চৰ্তবোৰ পালন কৰিবলৈ ব্যৰ্থ হয় ।

১১ । কি কি চৰ্তৰ অধীনত কোনো বেংকে এটা শাখা মুকলি কৰিব পাৰে, বৰ্ণনা কৰা ।

উত্তৰঃ বেংকৰ শাখা সম্প্ৰসাৰণৰ ক্ষেত্ৰত ভাৰতীয় বেংকিং নিয়ন্ত্ৰণ আইন 1949 চনত ব্যৱস্থা দিয়া আছে । এই ব্যৱস্থা অনুসৰি কোনো বেংকে ভাৰতত নিজ ইচ্ছাৰে নতুন শাখা মুকলি কৰিব নোৱাৰে । ইয়াৰ

বাবে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰা আগতীয়াকৈ অনুমতি ল'ব লাগে। বেংকিং নিয়ন্ত্ৰণ আইন 1949 চনৰ 23 নং ধাৰাই ৰিজাৰ্ভ বেংকক এনে ক্ষমতা প্ৰয়োগৰ অধিকাৰ দিছে। এই ধাৰাৰ ব্যৱস্থা মতে কোনো ঠাইত বেংকৰ শাখা মুকলি কৰিবলৈ অনুমতি প্ৰদান কৰিবলৈ কিছুমান চৰ্ত পূৰণ কৰিব লাগে–

(i) শাখা মুকলি কৰিব খোজা বেংকৰ অতীত অভিলেখ আৰু বিত্তীয় অৱস্থা টনকীয়াল হ’ব লাগিব।

(ii) ইয়াৰ পৰিচালনা সন্তোষজনক হ'ব লাগিব।

(iii) হয়াৰ মূলধনৰ গাঠনি আৰু প্ৰত্যাশিত আয় সন্তোষজনক হ'ব লাগে।

(iv) তেনে কায্যালয় মুকলি কৰোতে জনসাধাৰণৰ স্বাৰ্থৰ অনুকূলে হ’ব লাগিব। অনুমতি পোৱাৰ পাছত কাৰ্য্য পৰিচালনাত এই চৰ্তবোৰ বাহাল নাথাকিলে অনুমতি বাতিল কৰি দিব পাৰে। অৱশ্যে ইয়াৰ ব্যতিক্ৰমো আছে। যদি কোনো ঠাইত সভা সমিতি , উৎসৱ আদিৰ কাৰণে অস্থায়ীভাৱে বেংক সেৱাৰ প্ৰয়োজন হয় , তেতিয়াহ'লে ৰিজাৰ্ভ বেংকৰ পূৰ্বানুমতি নোলোৱাকৈ তাত কাযাালয় খুলিব পাৰে। কিন্তু তেনে অস্থায়ী কাযাালয় এমাহতকৈ বেছি দিন চলিব নোৱাৰে দ্বিতীয়তে একেখন নগৰ বা গাওঁৰ ভিতৰত কাযাালয় স্থানান্তৰ কৰিলে , ৰিজাৰ্ভ বেংকৰ পূৰ্বানুমতি ল’ব নালাগে।

১২। বেংকৰ অগ্ৰিম আৰু ঋণৰ ওপৰত চমুটোকা লিখা।

উত্তৰঃ বেংক হৈছে এটা ব্যৱসায়ী প্ৰতিষ্ঠান। বেংকে গ্ৰাহকক বিভিন্ন ধৰণে সেৱা আগবঢ়াই আয় অৰ্জন কৰে। ই এহাতে আমানত গ্ৰহণ কৰে আৰু আনহাতে অৰ্থনীতিৰ বিভিন্ন খণ্ডত ঋণ আৰু অগ্ৰিম ধন দি লাভ উপাৰ্জন কৰে। বেংক আমানতৰ বেছিভাগেই গ্ৰাহকৰ তাগিদা মতে পৰিশোধ কৰিব লাগে। সেয়ে ইদীৰ্ঘম্যাদী সময়ৰ বাবে বিনিয়োগ কৰিব নোৱাৰে। অথাৎ ই হ্ৰস্বকালৰ বাবে ঋণ আদান - প্ৰদান কৰে। বেংকে

তলবী ঋণ , জাননীমৰ্মে পৰিশোধ্য ঋণ , বিল ভঙোৱা আদি কাৰ্য্যত অৰ্থ নিয়োগ কৰি উপাৰ্জন বঢ়ায় l হ্ৰস্বকালীন অগ্ৰিম প্ৰদানৰ কাৰণে চলিত হিচাপৰ যোগেদি অধিবিকৰ্ষ , নগদ ঋণ আৰু অন্য ঋণ প্ৰদান কৰে l এনেদৰে অগ্ৰিম আৰু ঋণ দি বেংকে যথেষ্ট আয় উপাৰ্জন কৰে l

১৩ l নগদ ধন অনুপাতৰ অৰ্থ লিখা l

উত্তৰঃ আমানতৰ টকা গ্ৰাহকৰ তাগিদা মতে ঘূৰাই দিবলৈ বেংকে কিছু টকা সদায় নিজৰ হাতত মজুত ৰাখে l এইদৰে মজুত ৰখা টকাকে নগদ সংৰক্ষণ বা ধন বোলে l আমানতৰ এটা নিৰ্দিষ্ট অংশ নগদ হিচাপে মজুত ৰাখিবলগীয়া কাৰণে ইয়াক নগদ সংৰক্ষণ অনুপাত বোলে l

১৪ l অধিৰিকৰ্ষৰ অৰ্থ লিখা l

উত্তৰঃ ব্যৱসায়ী গ্ৰাহকৰ বিশ্বাসযোগ্যতা অনুযায়ী হিচাপত থকা জমা ধনৰ উপৰিও এটা নিৰ্দিষ্ট পৰিমাণলৈ অধিক ধন আদায় দিয়াৰ চুক্তি বা গ্ৰাহকৰ লগত থকা বা কৰা ব্যৱস্থাকে অধিবিকৰ্ষ বোলা হয় l ইয়াত এটা নিৰ্দিষ্ট পৰিমাণৰ সূদ ধাৰ্য্য কৰা হয় l

১৫। নগদ ঋণৰ অৰ্থ প্ৰকাশ কৰা l

উত্তৰঃ বিত্তীয় বৰ্ষৰ আৰম্ভণিতে কোনো প্ৰতিভূতি অথবা অস্থাৱৰ সম্পত্তিৰ জিম্মাৰ বিপৰীতে ব্যৱসায়ী গ্ৰাহকক আৱশ্যক হোৱা ধনৰ পৰিমাণৰ বাবে বেংক আৰু গ্ৰাহকৰ মাজত হোৱা চুক্তি অনুযায়ী গ্ৰাহকক আৱশ্যক হোৱা হিচাপৰ বিপৰীতে উঠোৱা আৰু সুবিধা অনুযায়ী ধন জমা দিয়াৰ যি ব্যৱস্থা তাকে নগদ ঋণ বোলা হয় l

১৬। ঋণ কি ?

উত্তৰঃ এটা নিৰ্দিষ্ট হাৰ সুদৰ বিনিময়ত এটা নিৰ্দিষ্ট পৰিমাণৰ ঋণ এটা নিৰ্দিষ্ট সময়ৰ বাবে প্ৰতিভূতিৰ বিপৰীতে বা নোহোৱাকৈ প্ৰদান কৰাকে ঋণ প্ৰদান বুলি কোৱা হয় l

১৭। বেংকৰ প্ৰকৃতি ব্যাখ্যা কৰা ।

উত্তৰঃ বেংক এক প্ৰকাৰ বিত্তীয় অনুষ্ঠান । ই প্ৰধানকৈ টকা পইচা , বিত্তীয় কাকত , ঋণ আদিৰ লেনদেন কৰে । কিয়নো বেংক ব্যৱসায়ৰ মূল বস্তু হৈছে টকা পইচাৰ লেনদেন । এটা ব্যৱসায়ী অনুষ্ঠান হিচাপে বেংকে সমাজত টকা পইচাৰ ব্যৱসায় কৰি মুনাফা উপাৰ্জন কৰে । গতিকে এই দৃষ্টিভংগীৰ পৰা বেংকে একপ্ৰকাৰ ব্যৱসায়ীৰ প্ৰকৃতি গ্ৰহণ কৰে ।

মুনাফা উপাৰ্জনৰ কাৰণে বেংকে ঋণৰ আদান - প্ৰদান কৰে । ই সমাজৰ বিভিন্ন ব্যক্তি তথা অনুষ্ঠান প্ৰতিষ্ঠানৰ সঞ্চিত ধন জমা লয় আৰু এইদৰে সংগ্ৰহ কৰা পূজি বেংকৰ এক প্ৰকাৰ ঋণ । কাৰণ এনে আমানতৰ টকা বেংকে ঘূৰাই দিবলৈ বাধ্য । আনহাতে সংগৃহীত পুঁজি বিভিন্ন শিল্পি উদ্যোগ , ব্যৱসায় বাণিজ্য আদিক ঋণ হিচাপে আগবঢ়ায় । এইদৰে পুঁজিৰ যোগান ধৰি দেশৰ আৰ্থিক কামত সহায় কৰে । এই ধৰণৰ কাম কাজৰ পৰাই বেংকে ঋণ গ্ৰহীতা আৰু ঋণদাতাৰ প্ৰকৃতি গ্ৰহণ কৰে ।

বেংকে আমানত সংগ্ৰহ কাৰ্য্যৰ যোগেদি সমাজৰ অ'ত - ত'ত সিঁচৰিত হৈ থকা সঞ্চয় একত্ৰিত কৰে আৰু ইয়াক উৎপাদন কায্যত বিনিয়োগ কৰে । বেংকে সঞ্চয়কাৰী আৰু বিনিয়োগকাৰীৰৰ মাজত মধ্যস্থতাকাৰীৰ ভূমিকা লয় । বেংকে ঋণ প্ৰদান কৰি পোৱা সুত আৰু সংগৃহীত ঋণৰ কাৰণে আদায় দিয়া সুতৰ ব্যৱধানৰ পৰা বেংকৰ মুনাফাৰ সৃষ্টি হয় । ইয়াৰোপৰি বেংকে আমানত দাতা বা বেংকৰ গ্ৰাহক আৰু বেংকৰ ঋণ গ্ৰহীতাৰ মাজত মধ্যস্থতা কৰোঁতে বেংকে ঋণ সৃষ্টিকাৰীৰ প্ৰকৃতি গ্ৰহণ কৰি ঋণগত মুদ্ৰাৰ সৃষ্টি কৰে ।

বেংকিং ব্যৱস্থা দেশৰ অৰ্থ ব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ খণ্ড আৰু সেই হিচাবে বেংকে অৰ্থব্যৱস্থাৰ প্ৰয়োজন পূৰণ কৰে । অগ্ৰাধিকাৰ খণ্ডসমূহলৈ যথোচিত বিত্তৰ সৰবৰাহ কৰি আৰ্থিক কাৰ্য্যৰ সঞ্জীৱনী হিচাবে কাম কৰে । সেইপিনৰ পৰা বেংকে অৰ্থব্যৱস্থাৰ এক প্ৰকাৰ নায়ক স্বৰূপে প্ৰভাৱ বিস্তাৰ কৰে ।

বেংকে লোৱা আমানতৰ ধৰণৰ প্ৰকৃতিত অন্যান্য ঋণৰ পৰা যথেষ্ট পৃথক। কিয়নো কৃষি বেংক , উদ্যোগিক বেংক আদিয়ে দীৰ্ঘম্যাদী ঋণ আমানত গ্ৰহণ কৰে। কিন্তু বাণিজ্যিক বেংকে লোৱা আমানতৰ অধিকাংশই হ্ৰস্বম্যাদী। গতিকে বাণিজ্যিক বেংকে দীৰ্ঘম্যাদী সময়ৰ কাৰণে ঋণ প্ৰধান কৰিব নোৱাৰে। কাৰণ জনসাধাৰণৰ পৰা সংগৃহীত - অধিকাংশ ধনেই গ্ৰাহকৰ তলব মৰ্মে প্ৰধান কৰিব লাগিব। গ্ৰাহকৰ তলব মতে বেংকে আমানতৰ টকা আদায় দিব পৰা সামৰ্থ্যৰ ওপৰত বেংক ব্যৱসায়ৰ ভৱিষ্যত নিৰ্ভৰ কৰে। গতিকে বেংক ব্যৱসায় আস্থাৰ ভিত্তিত প্ৰতিষ্ঠিত।

বাণিজ্যিক বেংকে গ্ৰাহকক বিত্ত বিষয়ক দিহা পৰামৰ্শ দি উপদেষ্টা স্বৰূপেও কাম কৰে। গ্ৰাহকৰ হকে কোম্পানিৰ ঋণ পত্ৰ ক্ৰয় বিক্ৰয় কৰি, গ্ৰাহকৰ দৰমহা , পেন্সন আদি আদায় কৰি এজেন্ট প্ৰকৃতিও গ্ৰহণ কৰে।

১৮। বেংকৰ প্ৰাথমিক কাৰ্য্য ব্যাখ্যা কৰা।

উত্তৰঃ প্ৰাথমিক কাৰ্যঃ যিবোৰ কাৰ্য বাণিজ্যিক বেংকৰ আটাইতকৈ গুৰুত্বপূৰ্ণ তেনে কাৰ্যক প্ৰাথমিক কাৰ্য বোলা হয়। ইয়াক আকৌ দুই ধৰণে ভগাব পাৰি। যেনে—

(a) জনসাধাৰণৰ পৰা আমানত গ্ৰহণ। আৰু

(b) ঋণ প্ৰদান বিনিয়োগ।

(a) জনসাধাৰণৰ পৰা আমানত গ্ৰহণঃ জনসাধাৰণৰ পৰা আমানত গ্ৰহণ কৰোতে বাণিজ্যিক বেংক সমূহে তলত দিয়া ধৰণে গ্ৰহণ কৰে।

(i) সঞ্চয়ী হিচাপঃ এনে হিচাপৰ মাধ্যমেদি বেংকে ক্ষুদ্ৰ ক্ষুদ্ৰ সঞ্চয়কাৰীক সঞ্চয়ৰ বাবে উদগনি প্ৰদান কৰে। বেকত এনে হিচাপ খোলাৰ বাবে সৰ্বনিম্ন টকাৰ পৰিমাণে বেংক ভেদে বেলেগ বেলেগ হোৱা দেখা যায়। বেংকৰ পূজিৰ এইটো এটা অন্যতম প্ৰধান উৎস। এনে হিচাপৰ গ্ৰাহকক

সাধাৰণতে 5 % পৰা 6 % পৰ্যন্ত সুত প্ৰদান কৰা দেখা যায় আৰু এক সপ্তাহত দুবাৰতকৈ অধিক পূজি বেংকৰ পৰা আহৰণ কৰিব নোৱাৰে ।

(ii) স্থায়ী হিচাপঃ এটা নিৰ্দিষ্ট পৰিমাণৰ ধন এটা নিৰ্দিষ্ট সময়লৈ জমা কৰি থোৱাকে স্থায়ী জমা হিচাপ বোলা হয় । এনে হিচাপত টকা জমা থলে সেই নিৰ্দিষ্ট সময়ৰ আগত টকাটো উলিয়াব নোৱাৰে । অৱশ্যে ম্যাদৰ সময় উকলি যোৱাৰ আগতে উলিয়ালে সুদৰ লোকচান ভৰিব লগা হয় । আকৰ্ষণীয় সূদ প্ৰদান কৰা হেতুকে এনে হিচাপৰ জনপ্ৰিয়তা অধিক । বেংকৰ লাভ ভালেখিনি পৰিমাণে স্থায়ী জমা হিচাপৰ ওপৰতে নিৰ্ভৰ কৰে । এনে হিচাপত সঞ্চয় হিচাপতকৈ বেছি পৰিমাণৰ সূত প্ৰদান কৰে ।

(iii) চলিত হিচাপঃ ব্যৱসায়িক জগতত অতি জনপ্ৰিয়তা লাভ কৰা এই প্ৰকাৰৰ হিচাপত বেংকে সূত প্ৰদান কৰা দেখা নাযায় , বৰঞ্চ হিচাপ পৰিচালনা কৰাৰ বাবদ বেংকে ভৰনি বাবদ ধনকাটি ৰাখে । এনে হিচাপৰ যোগেদি বেংকে সঞ্চয় আহৰণ কৰিলেও ইয়াক লাভজনক ভাৱে বেংকে খটুৱাব নোৱাৰে কাৰণে গ্ৰাহককো সুদ প্ৰদান নকৰে । আকৌ গ্ৰাহকে যিকোনো মূহুৰ্ততে ধন উলিয়াই নিব পাৰে । গতিকে বেংকৰ চন্দুকতে বেংকে প্ৰায় সমুদায় আমানত জমা কৰি থবলগীয়া হয় ।

(b) ঋণ প্ৰদান আৰু বিনিয়োগ :- বাণিজ্যিক বেংকে গ্ৰাহকৰ পৰা সংগ্ৰহ কৰা আমানত বিভিন্ন খণ্ডত ঋণ হিচাপে প্ৰদান কৰি আৰু বিনিযোগ কৰি আয় উপাৰ্জন কৰে । বাণিজ্যিক বেংকে তলত দিয়া ধৰণে ঋণ প্ৰদান কৰে ।

(i) ঋণ :- এটা নিৰ্দিষ্ট হাৰ সুদৰ বিনিময়ত এটা নিৰ্দিষ্ট পৰিমাণৰ ঋণ এটা নিৰ্দিষ্ট সময়ৰ বাবে প্ৰতিভূতিৰ বিপৰীতে বা নোহোৱাকৈ প্ৰদান কৰাকে ঋণ প্ৰদান বুলি কোৱা হয় ।

(ii) নগদ ঋণ :- বিত্তীয় বৰ্ষৰ আৰম্ভণিতে কোনো প্ৰতিভূতি অথবা অস্থাৱৰ সম্পত্তিৰ জিম্মাৰ বিপৰীতে ব্যৱসায়ী গ্ৰাহকক আৱশ্যক হোৱা ধনৰ পৰিমাণৰ বাবে বেংক আৰু গ্ৰাহকৰ মাজত হোৱা চুক্তি অনুযায়ী

গ্ৰাহকক আৱশ্যক হোৱা হিচাপৰ বিপৰীতে উঠোৱা আৰু সুবিধা অনুযায়ী ধন জমা দিয়াৰ যি ব্যৱস্থা তাকে নগদ ঋণ বোলা হয় ।

(iii) অধিবিকৰ্ষ :- ব্যৱসায়ী গ্ৰাহকৰ বিশ্বাসযোগ্যতা অনুযায়ী হিচাপত থকা জমা ধনৰ উপৰিও এটা নিৰ্দিষ্ট পৰিমাণলৈ অধিক ধন আদায় দিয়াৰ চুক্তি বা গ্ৰাহকৰ লগত থকা বাকৰা ব্যৱস্থাকে অধিবিকৰ্ষ বোলা হয় । ইয়াত এটা নিৰ্দিষ্ট পৰিমাণৰ সুদ ধাৰ্য কৰা হয় ।

(iv) বিল বাট্টাকৰণ :- ব্যৱসায়ী গ্ৰাহকৰ সুবিধাৰ্থে ব্যৱসায় বাণিজ্যত প্ৰচলিত বিল বিলাক এক নিৰ্দিষ্ট হাৰৰ বাট্টাৰ বিনিময়ত ভঙোৱাটো বাণিজ্যিক বেংকৰ এক অন্যতম কাৰ্য । ইয়াৰ দ্বাৰা বাণিজ্যিক বেংকে বেহা বেপাৰৰ হ্ৰস্বম্যাদী পুঁজিৰ যোগান ধৰে । ফলত ব্যৱসায়ীসকল যথেষ্ট উপকৃত হয় । আনহাতে বিল ভঙাই দি বেংকে বাট্টা লয় । ই বেংকৰ উপাৰ্জন বৰঙণি যোগায় ।

১৯ । বেংকৰ জনোপযোগী কাৰ্য্যাবলী আলোচনা কৰা ।

উত্তৰঃ গৌণকাৰ্য :- বাণিজ্যিক বেংকৰ গৌণ কাৰ্য্যক দুই ধৰণে ভাগ কৰা হয় । যেনে–

(a) প্ৰতিনিধিমূলক সেৱা । আৰু

(b) জনোপযোগী সেৱা ।

(a) প্ৰতিনিধিমূলক সেৱাঃ - আধুনিক বেংক ব্যৱসায়ত অধিক গ্ৰাহকক আকৰ্ষণ কৰিবলৈ গ্ৰাহকৰ হৈ ভালেমান কাৰ্য সম্পাদন কৰে । সেই বিলাকৰ পৰা বেংকৰ লাভ নহলেও ব্যৱসায়িক প্ৰতিযোগিতাতত তিষ্টি থাকিবলৈ কৰাটো অতি জৰুৰী । এইবোৰ কাৰ্য বেংকৰ নিজৰ ইচ্ছাধীন ।

(i) গ্ৰাহকৰ হৈ এঠাইৰ পৰা আন ঠাইলৈ ধন প্ৰেৰণ কৰা আৰু আদায় দিয়া ।

(ii) গ্ৰাহকৰ আয়ৰ উৎসৰ পৰা বিভিন্ন আয় যেনে সুদ , লভ্যাংশ ইত্যাদি কম খৰচতে সংগ্ৰহ কৰি দিয়া ।

(iii) গ্ৰাহকৰ হৈ প্ৰতিভূতি , ভ্ৰমণ টিকট , বৈদেশিক মুদ্ৰাৰ লেনদেন কৰা ।

(iv) ন্যাস সম্পত্তিৰ পৰিচালনা তথা গ্ৰাহকৰ মূল্যবান সা - সম্পত্তি নিৰাপদে জমা ৰখা ইত্যাদি ।

(b) জনোপযোগী সেৱাঃ বেংকৰ সামাজিক মৰ্যাদা আৰু গুৰুত্ব বৃদ্ধি কৰাৰ উদ্দেশ্যেৰে তলত দিয়া ধৰণে বেংকে ভালেমান কাৰ্য্য গ্ৰাহকৰ হৈ সম্পাদন কৰে ।

(i) গ্ৰাহকৰ হৈ ভ্ৰমণ চেক , প্ৰত্যয় পত্ৰ জাৰি কৰা ।

(ii) গ্ৰাহকলৈ মূল্যৱান ব্যৱসায়ীক তথ্য যোগান ধৰা তথা উপদেশ দিয়া ।

(iii) বৈদেশিক লেনদেনত সাহায্য কৰা তথা অৱলেখন কাৰ্য পালন কৰা ।

(iv) কেন্দ্ৰীয় বেংকৰ বিভিন্ন প্ৰকাৰৰ ৰাজস্ব নীতি নিয়ম সমূহ ৰূপায়ণত সহযোগিতা কৰা ।

(v) ধন প্ৰেৰণ কৰা ইত্যাদি ।

২০ । বাণিজ্যিক বেংক মানেকি বুজা লিখা । বাণিজ্যিক বেংকৰ সাধাৰণ জনোপযোগী আৰু প্ৰতিনিধিমূলক কাম-কাজৰ বৰ্ণনা কৰা ।

উত্তৰঃ বেংক হৈছে এটা বিত্তীয় প্ৰতিষ্ঠান । ই মূলতঃ টকা - পইচাৰ লেনদেন কৰে । বেংকৰ সংজ্ঞা সম্পৰ্কে বিভিন্ন পণ্ডিতে বিভিন্ন ধৰণে ব্যাখ্যা কৰিছে ।

দ্বিতীয় অংশ গৌণকাৰ্য বাণিজ্যিক বেংকৰ গৌণ কাৰ্য্যক দুই ধৰণে ভাগ কৰা হয় । যেনে –

(a) প্ৰতিনিধিমূলক সেৱা । আৰু

(b) জনোপযোগী সেৱা ।

(a) প্ৰতিনিধিমূলক সেবা :- আধুনিক বেংক ব্যৱসায়ত অধিক গ্ৰাহকক আকৰ্ষণ কৰিবলৈ গ্ৰাহকৰ হৈ ভালেমান কাৰ্য্য সম্পাদন কৰে । সেই বিলাকৰ পৰা বেংকৰ লাভ নহলেও ব্যৱসায়িক প্ৰতিযোগিতাতত তিষ্টি থাকিবলৈ কৰাটো অতি জৰুৰী । এইবোৰ কাৰ্য বেংকৰ নিজৰ ইচ্ছাধীন ।

(i) গ্ৰাহকৰ হৈ এঠাইৰ পৰা আন ঠাইলৈ ধন প্ৰেৰণ কৰা আৰু আদায় দিয়া ।

(ii) গ্ৰাহকৰ আয়ৰ উৎসৰ পৰা বিভিন্ন আয় যেনে সুদ , লভ্যাংশ ইত্যাদি কম খৰচতে সংগ্ৰহ কৰি দিয়া ।

(iii) গ্ৰাহকৰ হৈ প্ৰতিভূতি , ভ্ৰমণ টিকট , বৈদেশিক মুদ্ৰা লেনদেন কৰা ।

(iv) ন্যাস সম্পত্তিৰ পৰিচালনা তথা গ্ৰাহকৰ মূল্যবান সা - সম্পত্তি নিৰাপদে জমা ৰখা ইত্যাদি ।

(b) জনোপযোগী সেৱা :- বেংকৰ সামাজিক মৰ্যাদা আৰু গুৰুত্ব বৃদ্ধি কৰাৰ উদ্দেশ্যেৰে তলত দিয়া ধৰণে বেংকে ভালেমান কাৰ্য্য গ্ৰাহকৰ হৈ সম্পাদন কৰে ।

(i) গ্ৰাহকৰ হৈ ভ্ৰমণ চেক , প্ৰত্যয় পত্ৰ জাৰি কৰা ।

(ii) গ্ৰাহকলৈ মূল্যৱান ব্যবসায়ীক তথ্য যোগান ধৰা তথা উপদেশ দিয়া ।

(iii) বৈদেশিক লেনদেনত সাহায্য কৰা তথা অৱলেখন কাৰ্য পালন কৰা ।

(iv) কেন্দ্ৰীয় বেংকৰ বিভিন্ন প্ৰকাৰৰ ৰাজস্ব নীতি নিয়ম সমূহ ৰূপায়ণত সহযোগিতা কৰা ।

(v) ধন প্ৰেৰণ কৰা ইত্যাদি ।